No. of Printed Pages—3

**40 N (ASB)**

**[ 22-HKPD1SN-23A ]**

# M.A 1st Semester (New) Exam. 2022 (W)

## ASSAMESE

( অসমীয়া সাহিত্যৰ বুৰঞ্জী (আদিৰ পৰা মধ্যযুগলৈ) )

[ PGAS S1-01 ]

*Full Marks* : 70/80

*Time* : 3 hours

*The figures in the right-hand margin indicate marks.*

**(২০২০ চনৰ পিছত নামভৰ্ত্তি কৰা শিক্ষাৰ্থী সকলে কেৱল Q.No. 1 ৰ পৰা Q.No. 4 লৈ হে উত্তৰ কৰিব)**

**1.** তলৰ যিকোনো *পাঁচটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) ঃ $2 \times 5 = 10$

(*a*) অসমীয়া সাহিত্যৰ প্ৰত্নস্তৰ বুলিলে কোন ছোৱা সময়ৰ কথা কোৱা হয় ?

(*b*) মন্ত্ৰৰ ভাষা সম্পৰ্কে চমুকৈ লিখক ।

(*c*) 'শ্ৰীকৃষ্ণ কীৰ্ত্তন' পুথিখনৰ চমু পৰিচয় আগবঢ়াওক ।

(*d*) 'শূন্য পুৰাণ'ৰ চমু পৰিচয় আগবঢ়াওক ।

(*e*) হেম সৰস্বতীৰ 'হৰগৌৰী সম্বাদ'ৰ চমু পৰিচয় দাঙি ধৰক ।

(*f*) বীৰ কাব্য কি ?

**2.** তলৰ যিকোনো *চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১২০ শব্দৰ ভিতৰত) ঃ $3 \times 4 = 12$

(*a*) সৰ্বভাৰতীয় প্ৰেক্ষাপটত ভক্তিধৰ্মৰ বিকাশ ঘটাৰ কাৰণ কেইটামান উল্লেখ কৰক ।

(*Turn Over*)

(*b*) 'ৰাজসূয় কাব্য'ৰ ৰচক কোন ? কাব্যখনৰ বিষয়বস্তু আৰু সাহিত্যিক সৌন্দৰ্য বিচাৰ কৰক ।

(*c*) অনন্ত কন্দলিৰ সৃষ্টিৰাজিৰ চমু পৰিচয় আগবঢ়াওক ।

(*d*) চমু টোকা লিখক– শ্ৰীধৰ কন্দলী ।

(*e*) অসমীয়া বধকাব্যসমূহ সম্পৰ্কে এটি চমু আলোচনা যুগুত কৰক ।

**3.** তলৰ যিকোনো *চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) ঃ $6 \times 4 = 24$

(*a*) পাঁচালী সাহিত্য কি ? পাঁচালী শব্দৰ অৰ্থ সম্পৰ্কে বিভিন্ন জন পণ্ডিতে ভিন্ন সময়ত ভিন্ন মত আগবঢ়াইছে । সেই বিষয়ে এটি আলোচনা আগবঢ়াওক ।

(*b*) শঙ্কৰোত্তৰ যুগৰ সাহিত্যিক সকলৰ জীৱন আৰু কৃতিৰ চমু পৰিচয় আগবঢ়াওক ।

(*c*) মন্ত্ৰ সাহিত্যৰ বৈশিষ্ট্যসমূহৰ বিষয়ে লিখক । মন্ত্ৰৰ শ্ৰেণীবিভাজন কৰিব পাৰিনে ?

(*d*) চৰিত সাহিত্যৰ পৰিচয় দি অসমীয়া চৰিত পুথিৰ বৈশিষ্ট্যৰ বিষয়ে লিখক ।

(*e*) অসমীয়া বুৰঞ্জী সাহিত্যৰ উদ্ভৱ, ক্ৰমবিকাশ আৰু শ্ৰেণীবিভাজন সম্পৰ্কে আলোচনা কৰক ।

**4.** তলৰ যিকোনো *তিনিটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৩০০ শব্দৰ ভিতৰত) ঃ $8 \times 3 = 24$

(*a*) ডাকৰ বচনৰ পৰিচয় আগবঢ়াই ইয়াৰ বিষয়বস্তুৰ আভাস দিয়ক । ডাকৰ বচনৰ প্ৰাসঙ্গিকতা আজিও আছে নে ?

(*b*) চৰ্যাপদৰ পৰিচয় আগবঢ়াই ইয়াৰ আধ্যাত্মিক তাৎপৰ্য্য বিচাৰ কৰক ।

(*c*) শঙ্কৰদেৱৰ অনুবাদমূলক ৰচনাকৃতি আৰু গীতসমূহৰ বিষয়ে এটি আলোচনা আগবঢ়াওক ।

(*d*) মাধৱদেৱৰ তত্ত্বমূলক ৰচনাসমূহৰ বিষয়ে আলোচনা আগবঢ়াওক ।





**(5 নং প্ৰশ্নটো কেৱল ২০২০ চনৰ আগতে নামভৰ্ত্তি কৰা শিক্ষাৰ্থীৰ বাবেহে )**

**5.** তলৰ যিকোনো *এটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰায় ৩৫০ শব্দৰ ভিতৰত) ঃ $10 \times 1 = 10$

(*a*) নাথ সাহিত্যৰ বিষয়ে এটি সম্যক আলোচনা আগবঢ়াওক ।

(*b*) ব্যৱহাৰিক সাহিত্য শ্ৰেণীৰ বিষয়ে এটি আলোচনা আগবঢ়াওক ।

---